# অসম জাতীয় বিদ্যালয়
## Assam Jatiya Bidyalay

কৰ্ম মোৰ সংস্কৃতি

নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

☏: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com


প্ৰসংগ : অজাবি/০০৯/৩৮/২০২২-২৩
*Ref :*

তাৰিখ : ২৮-০২-২০২৩
*Date :*

## অসম জাতীয় বিদ্যালয়ত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদ্‌যাপন

**নুনমাটি, গুৱাহাটী, ২৮ ফেব্ৰুৱাৰী ঃ** দেশজুৰি উদ্‌যাপন কৰা ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস আজি অসম জাতীয় বিদ্যালয়তো অনুষ্টুপীয়া কাৰ্য্যসূচীৰে উদ্‌যাপন কৰা হয়। ৰামণ পৰিঘটনাৰ আৱিষ্কাৰক বিশিষ্ট পদাৰ্থ বিজ্ঞানী চন্দ্ৰশেখৰ ভেংকট ৰামণৰ সোঁৱৰণত উদ্‌যাপন কৰা এই দিৱস উপলক্ষে বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে ৰামণৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি অনুষ্ঠানৰ আৰম্ভণি কৰে। বিদ্যালয়ৰ বিজ্ঞান বিভাগৰ শিক্ষক মিথুন ডেকাই বিশিষ্ট বিজ্ঞানীগৰাকীৰ জীৱন আৰু কৰ্ম সম্পৰ্কত আলোকপাত কৰে। আজিৰ অনুষ্ঠানত বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি দিলীপ কুমাৰ দত্ত চৌধুৰী, বিদ্যালয়ৰ শিক্ষাৰ্থী, শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীসকল উপস্থিত থাকে। উল্লেখযোগ্য যে বিদ্যালয়ৰ বছৰেকীয়া পৰীক্ষা চলি থকাৰ পৰিপ্ৰেক্ষিতত আজি অনুষ্টুপীয়াকৈ এই দিৱস উদ্‌যাপন কৰা হয়। বিজ্ঞান দিৱসৰ সৈতে সংগতি ৰাখি আয়োজন কৰা বিজ্ঞান বিষয়ক বিভিন্ন প্ৰতিযোগিতাসমূহ অহা ১২ আগষ্টত অনুষ্ঠিত কৰা হ'ব।

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়